জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২৫২/২০২১**

## গুৱাহাটীৰ খানাপাৰাত মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয় আৰু ৰূপনগৰত কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ প্ৰস্তাৱিত স্থান পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

ব্ৰহ্মপুত্ৰৰ নদীৰ পাৰৰ এলেকাৰ সৌন্দৰ্যবৰ্ধনৰ পদক্ষেপ লোৱাৰ বাবে কামৰূপ জিলাৰ উপায়ুক্তৰ পুৰণি বাসভৱন, আৰক্ষী সঞ্চালকপ্ৰধান, আৰক্ষী অধীক্ষকৰ বাসভৱন তথা ৰোপৱে টাৰ্মিনেলৰ কাষৰ স্থানো পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৮ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ খানাপাৰাত মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয় আৰু ৰূপনগৰত কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ নতুনকৈ নিৰ্মাণ হ'বলগীয়া ভৱনৰ প্ৰস্তাৱিত স্থান পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগক প্ৰস্তাৱিত ভৱনসমূহৰ প্ৰাথমিক কাম-কাজ ত্বৰান্বিত কৰিবলৈ কয় যাতে নিৰ্ধাৰিত সময়ৰ ভিতৰত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিব পৰা যায়।

ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে পাণবজাৰৰ ব্ৰহ্মপুত্ৰৰ পাৰত থকা কামৰূপ জিলাৰ উপায়ুক্তৰ পুৰণি বাসভৱনৰ লগতে আৰক্ষী সঞ্চালকপ্ৰধান, আৰক্ষী অধীক্ষকৰ বাসভৱন আদি স্থানো পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ কাছাৰীস্থিত ৰোপৱে টাৰ্মিনেলৰ কাষৰ স্থানো পৰিদৰ্শন কৰে।

উপৰি উক্ত স্থানসমূহ পৰিদৰ্শনৰ পিছত মুখ্যমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ অঞ্চলৰ সৌন্দৰ্যবৰ্ধনৰ বাবে ১০০ বছৰ সম্পূৰ্ণ নোহোৱা নদীৰ কাষৰ সকলো চৰকাৰী ভৱন তৎকালে ভাঙি পেলাবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। অৱশ্যে ১০০ বছৰতকৈ অধিক পুৰণি ভৱনসমূহক ঐতিহ্যবাহী ভৱন হিচাপে সংৰক্ষণ কৰাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

আজিৰ এই পৰিদৰ্শনৰ সময়ত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, গুৱাহাটী মহানগৰৰ আৰক্ষী আয়ুক্ত হৰমিত সিঙ, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৰ লগতে লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগ, জিএমচি, জিএমডিএ আদিৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

**প্ৰঃকুঃবঃ /০৮-০৯-২০২১**